**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 25-07-2026 **Time :** 1100 Hrs.

অসমৰ বান পৰিস্থিতি এতিয়াও শোচনীয় হৈ আছে। বানৰ কবলত পৰা জিলাকেইখনৰ কোনো কোনো অঞ্চলত পানী কমিবলৈ লৈছে যদিও ১২ খন জিলাৰ ৮৫৬ খন গাঁও বানত বুৰ গৈ আছে। বানৰ ফলত উজনি অসমৰ শিৱসাগৰ, চৰাইদেউ আৰু যোৰহাট জিলাত সৰ্বাধিক ক্ষতি হৈছে। এইবাৰৰ বানত ৭ লাখ ৫১ হাজাৰৰো অধিক লোক ক্ষতিৰ সন্মুখীন হৈছে। বানৰ ফলত কালি আৰু ১৪ জন লোকে প্ৰাণ হেৰুৱায়। ইয়াৰে ভিতৰত শিৱসাগৰত ছজন, চৰাইদেউত ৭ জন আৰু যোৰহাটত এজন লোকৰ মৃত্যু হয়। ইয়াকে লৈ ৰাজ্যত এইবাৰৰ বানত প্ৰাণ হেৰুওৱা লোকৰ সংখ্যা ৬১ হৈছেগৈ।

অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ সূত্ৰ অনুসৰি সাম্প্ৰতিক বানত ৫৬ হাজাৰ ৬০৬ হেক্টৰৰো অধিক কৃষিভূমি প্লাবিত হৈছে। বানপীড়িতসকলৰ বাবে স্থাপন কৰা ৯৬ টা আশ্ৰয় শিবিৰসমূহত ১ লাখ ১৫ হাজাৰৰো অধিক লোকে আশ্ৰয় লৈ আছে।

উজনি অসমৰ মাজেৰে বৈ যোৱা দিখৌ, দিচাং আৰু ধনশিৰিকে ধৰি গুৰুত্বপূৰ্ণ নৈসমূহ বিপদসীমাৰ ওপৰেদি বৈ আছে। ইয়াৰ ফলত বান পৰিস্থিতিৰ অধিক অৱনতি ঘটিছে।

নীপকোৰ দৈয়াং জলবিদ্যুৎ প্ৰকল্পৰ জলধাৰৰ পানী ক্ৰমাৎ বৃদ্ধি পোৱাৰ বাবে প্ৰকল্পটোৰ চাৰিখন স্পীলৱে গে'ট খুলি দিবলগীয়া হৈছে। বৰ্তমান এই গে'টেৰে প্ৰতি ছেকেণ্ডত প্ৰায় ২ লাখ ১১ হাজাৰ লিটাৰ পানী এৰি দিয়া হৈছে। পানী এৰি দিয়াৰ ফলত গোলাঘাট আৰু বোকাখাত মহকুমাৰ কেইবাখনো নদীৰ জলস্তৰ বৃদ্ধি পাইছে। জিলা প্ৰশাসনে প্ৰকল্পটোৰ নামনি অঞ্চলত বানৰ আশংকা কৰি নদী কাষৰীয়া অঞ্চলৰ লোকসকলক সতৰ্ক হৈ থাকিবলৈ আহ্বান জনাইছে।

বান প্ৰভাৱিত অঞ্চলসমূহত উদ্ধাৰ আৰু সাহায্য অভিযান অব্যাহত আছে। দুৰ্যোগ সঁহাৰি বাহিনী, জিলা প্ৰশাসন, অগ্নি আৰু জৰুৰীকালীন সেৱা বাহিনী, এছ ডি আৰ এফ, আৰক্ষী তথা স্থানীয় ৰাইজে উদ্ধাৰ অভিযানত সহায় কৰিছে। প্ৰশাসনে বানপীড়িত লোকসকলক যাৱতীয় সাহায্য সামগ্ৰীৰ লগতে পশু খাদ্য যোগানৰ ব্যৱস্থা কৰিছে। কৰ্তৃপক্ষসমূহে পৰিস্থিতি সূক্ষ্মভাৱে নিৰীক্ষণ কৰি আছে আৰু বেয়াকৈ ক্ষতিগ্ৰস্ত জিলাসমূহত উদ্ধাৰ অভিযান তীব্ৰতৰ কৰি তুলিছে।

0000000

যোৰহাট জিলাৰ শ'লমাৰা প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ অন্তৰ্গত অত্যন্ত দূৰৱৰ্তী আৰু দুৰ্গম বানাক্ৰান্ত অঞ্চল বৰকানা চুকত আজি এটা স্বাস্থ্য শিবিৰৰ আয়োজন কৰা হৈছে। যাতায়াত ব্যৱস্থা ব্যাহত হোৱাৰ ফলত স্বাস্থ্য কৰ্মীসকলে বহুতো প্ৰত্যাহ্বান নেওচি বানপীড়িত অঞ্চলটোত উপস্থিত হয়। যোৰহাট জিলা প্ৰশাসনে তেওঁলোকৰ এই সাহসী পদক্ষেপ আৰু সেৱাৰ বাবে ধন্যবাদ জ্ঞাপন কৰিছে।

000000000

শেহতীয়া ভয়াবহ বান পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত যোৰহাট জিলাৰ কাক'ডোঙা আৰু চৰাইপানী অঞ্চলত নদীৰ মথাউৰি ছিঙি সৃষ্টি হোৱা সংকট প্ৰতিৰোধ কৰিবলৈ জলসম্পদ বিভাগে জৰুৰীভাৱে সাময়িক মেৰামতিৰ কাম আৰম্ভ

কৰিছে। পৰিস্থিতি অধিক অৱনতি নহ'বলৈ প্ৰশাসন আৰু জলসম্পদ বিভাদৰ যৌথ উদ্যোগত জৰুৰীকালীন ভিত্তিত এই সাময়িক সুৰক্ষা ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

আনহাতে শ'লমাৰা খহনীয়া অংশত প্ৰতিৰোধৰ বাবে জিঅ' টিউব সংস্থাপনৰ বাবে প্ৰাৰম্ভিক প্ৰস্তুতিৰ কাম দ্ৰুত গতিত চলি আছে।

০০০০০০০০০

গোৱালাপাৰ জিলাৰ ৪৫০ গৰাকী খেতিয়কে ৰাজ সাহায্যৰ জৰিয়তে তৈল খেজুৰৰ খেতি কৰি বিশেষভাৱে লাভবান হৈছে। জিলা কৃষি বিভাগৰ তৎপৰতাত ২০২২ চনৰ পৰা তৈল খেজুৰ বহিঃৰাজ্যলৈ ৰপ্তানি হৈ আহিছে। জিলাখনৰ দুধনৈ আৰু আগিয়া বিক্ৰী কেন্দ্ৰৰ পৰা কালি ২০ মেট্ৰিকটন তৈল খেজুৰ অন্ধ্ৰপ্ৰদেশৰ বিচাখাপট্টনমলৈ প্ৰেৰণ কৰা হয়। উল্লেখযোগ্য যে, ২০১৫ চনৰ পৰাই গোৱালপাৰা জিলাত তৈল খেজুৰৰ খেতি আৰম্ভ হৈছে। জিলা কৃষি বিভাগে এই ক্ষেত্ৰত খেতিয়কসকলক যথেষ্ট সহায় কৰাৰ লগতে বিক্ৰীৰ ক্ষেত্ৰতো সহায় কৰি আহিছে

০০০০০০০

ধুবুৰী জিলাৰ ৭১ নম্বৰ ভোগদহৰ গাঁও পঞ্চায়তত নিৰ্বাচিত আঞ্চলিক পঞ্চায়তৰ সদস্য ছাবিনা বেগমক বাল্য বিবাহত জড়িত থকাৰ অভিযোগত দোষী সাব্যস্ত হোৱাৰ পৰিপ্ৰেক্ষেতৰ আঞ্চলিক পঞ্চায়ত সদস্য পদৰ পৰা অপসৰণ কৰা হৈছে। ধুবুৰী জিলা আয়ুক্তৰ পঞ্চায়ত শাখাই এটা নিৰ্দেশনা যোগে সদস্যগৰাকীক তাৎক্ষণিকভাৱে অযোগ্য ঘোষণা কৰি পদৰ পৰা অপসৰণ কৰে। উল্লেখযোগ্য যে ধুবুৰীৰ ওমৰ আলী আৰু হাৰুল এল ৰছিদ নামৰ দুজন লোকে দাখিল কৰা এখন অভিযোগ নামাত উল্লেখ কৰিছিল যে নিৰ্বাচিত আঞ্চিলক পঞ্চায়ত সদস্য গৰাকীয়ে ২০২৫ চনৰ পঞ্চায়ত নিৰ্বাচনৰ মনোনয়ন পত্ৰৰ সৈতে দাখিল কৰা শপত নামাত তেওঁ বাল্যবিবাহৰ বলি হোৱাৰ বিষয়টো গোপন কৰাৰ লগতে ভুৱা তথ্য দাখিল কৰিছিল।

০০০০০০০০

ডিব্ৰুগড় জিলা আৰক্ষীয়ে জিলাখনৰ বিভিন্ন প্ৰান্তত নিচাজাতীয় সামগ্ৰীৰ বিৰুদ্ধে চলি থকা অভিযানৰ অংশ হিচাপে কালি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ সমীপৱৰ্তী দীঘলীয়া গাঁৱত ভাং সৰবৰাহকাৰী দুজন লোকক আটক কৰে। আৰক্ষীয়ে আটক কৰা লোক দুজনৰ পৰা এক কিলোগ্ৰামতকৈও অধিক ভাং, এখন বাহন আৰু কাহৰ বাচন-বৰ্তন জব্দ কৰে। ডিব্ৰুগড় আৰক্ষীয়ে চলোৱা আন এটা অবিযানত কালি পুৰণি ৰে'লৱে ষ্টেচন কল'নিত কেইবাজনো ড্ৰাগছ্ সৰবৰাহকাৰীক আটক কৰাৰ লগত কেইবা লাখ টকাও জব্দ কৰে।

০০০০০০০০

**সমাপ্ত**